# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-OCT-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এছ্ আই টিয়ে আজি ৰাজ্যৰ ছগৰাকী বিশিষ্ট ব্যক্তিৰ সৈতে কিছু সময় পূৰ্বে বৈঠকত মিলিত হয়। বৈঠকত ডাঃ শুভ্ৰকিংকৰ গোস্বামী, সঞ্জীৱ ফুকন, অতনু ভূঞা, প্ৰাঞ্জল শইকীয়া, ডাঃ হিতেশ বৰুৱা আৰু শিৱাণু বৰা উপস্থিত আছিল। বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত আটাইকেইগৰাকী ব্যক্তিয়ে কয়, যে এছ্ আই টিয়ে তেওঁলোকক তদন্ত প্ৰক্ৰিয়া অগ্ৰগতি সম্পৰ্কে অৱগত কৰে যদিও মৰণোত্তৰ পৰীক্ষা বা তেনে কোনোধৰণৰ গোপনীয় তথ্য তেওঁলোকক প্ৰদান কৰা নাই। ছিংগাপুৰতো সমান্তৰালভাৱে এই ঘটনাৰ তদন্ত চলি থকা বুলি এছ্ আই টিয়ে অৱগত কৰাৰ কথা তেওঁলোকে উল্লেখ কৰে। ৯০ দিনৰ ভিতৰত এই গোচৰৰ অভিযোগনামা দাখিল কৰা হ'ব বুলি তেওঁলোকে প্ৰকাশ কৰে। উল্লেখযোগ্য যে ১৩ গৰাকী ব্যক্তিক আলোচনাৰ বাবে আমন্ত্ৰণ জনাইছিল যদিও ৭ গৰাকী ব্যক্তিয়ে আমন্ত্ৰণ অস্বীকাৰ কৰি বৈঠকত উপস্থিত থাকিব নোৱাৰে বুলি স্পষ্ট কৰি দিয়ে। সদৌ অসম ছাত্ৰ সন্থাইও এই আলোচনাত অংশ নলয় বুলি ঘোষণা কৰে। জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবীত আজি সংগঠনটোৱে গুৱাহাটী মহানগৰীৰ দীঘলী পুখুৰীৰ পাৰত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই জনতাৰ শিল্পীগৰাকীৰ মৃত্যু ঘটনাৰ তদন্ত পানী নসৰকা হ'ব লাগিব বুলি দাবী তোলে। সংগঠনটোৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই এছ্ আই টিয়ে আজি আলোচনাৰ বাবে জনোৱা আমন্ত্ৰণ গ্ৰহণ নকৰা সন্দৰ্ভত কয়, যে তদন্তকাৰী সংস্থাই গোচৰ সংক্ৰান্তত আলোচনাৰ বাবে মাতিলে অভিযুক্ত পক্ষৰ অধিবক্তাই আদালতত আইনী সুযোগ উলিয়াব পাৰে। এই অনুসৰি আইনজ্ঞৰ পৰামৰ্শমৰ্মে আলোচনাত অংশগ্ৰহণ নকৰা বুলি তেওঁ প্ৰকাশ কৰে। ড° ভট্টাচাৰ্যই শিল্পীগৰাকীৰ ন্যায় বিচাৰৰ বাবে সংগঠনটোৰ চাৰিটা দাবীৰ কথা উল্লেখ কৰে।

ভইচ

ইপিনে, ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা প্ৰবাসী অসমীয়াসকলৰ ৭ গৰাকীয়ে এই পৰ্যন্ত অসম আৰক্ষীৰ বিশেষ অনুসন্ধানকাৰী দলৰ আগত ভাষ্য দিছে। আজি অভিমন্যু তালুকদাৰ আৰু তন্ময় ফুকন নামৰ ব্যক্তি দুগৰাকী উলুবাৰীত থকা চি আই ডিৰ কাৰ্যালয়ত হাজিৰ হৈ ভাষ্য প্ৰদান কৰে। আৰক্ষী বিষয়াই দুয়োকে বহু সময় ধৰি সোধা-পোছা কৰে। ইয়াৰ আগেয়ে কালি চাৰিগৰাকী প্ৰবাসী অসমীয়া অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ কাৰ্যালয়ত হাজিৰ হয়। পৰিক্ষিত শৰ্মা, সিদ্ধাৰ্থ বৰা আৰু জিঅ'লাংছাত নাৰ্জাৰী নামৰ লোক তিনিজনক এছ্ আই টিয়ে সোধা-পোছা কৰাৰ পাছত কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত তেওঁলোকৰ ভাষ্য লিপিবদ্ধ কৰোৱা হয়। বিয়লি প্ৰবাসী অসমীয়া ভাস্কৰজ্যোতি দত্তই এছ্ আই টিৰ কাৰ্যালয়ত উপস্থিত হৈ ভাষ্য দিয়ে। ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা ১১ গৰাকী প্ৰবাসী অসমীয়ালৈ আৰক্ষীয়ে চমন জাৰি কৰিছিল। এই চমন মানি কিছুদিন পূৰ্বে ৰূপকমল কলিতাই এছ্ আই টিৰ সন্মুখত হাজিৰ হৈ ভাষ্য দিছিল। ছিংগাপুৰ আৰক্ষীয়ে এই ঘটনা সন্দৰ্ভত তদন্ত চলাই আছে আৰু তেওঁলোকে বিচৰা তথ্য অসম আৰক্ষীয়ে যোগান ধৰিছে বুলি এছ্ আই টিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাই প্ৰকাশ কৰে। ইপিনে, নতুন দিল্লীৰ

কেন্দ্ৰীয় ফৰেনছিক গৱেষণাগাৰে প্ৰেৰণ কৰা জুবিন গাৰ্গৰ ভিছেৰা পৰীক্ষাৰ প্ৰতিবেদনে তদন্তক নতুন গতি দিছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

ছিংগাপুৰৰ ঘটনাস্থলীৰ জুবিন গাৰ্গৰ অন্তিম সময়ৰ সম্পূৰ্ণ ভিডিঅ' এছ আই টিয়ে উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। জুবিন গাৰ্গৰ সহগায়িকা তথা অভিযুক্ত কাৰাবন্দী অমৃত প্ৰভা মহন্তই নিজৰ মোবাইলত আবদ্ধ কৰা এই ভিডিঅ' মচি পেলোৱাৰ পাছত অসম আৰক্ষীৰ তথ্য প্ৰযুক্তি বিশেষজ্ঞই এই ভিডিঅ'সমূহ উদ্ধাৰ কৰিবলৈ সমৰ্থ হয়।

০০০০০

ধেমাজি জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে শিক্ষণ, বিজ্ঞানাত্মক, নেতৃত্ব আৰু উদ্ভাৱন শীৰ্ষক এখন জিলাভিত্তিক শিক্ষক সন্মিলন অনুষ্ঠিত হৈছে। ৰাজ্যিক শিক্ষা, গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ চমুকৈ এছ চি আৰ টিৰ নিৰ্দেশত শিক্ষকসকলৰ উদ্ভাৱনীমূলক চিন্তাৰ খতিয়ান লোৱাৰ লক্ষ্যৰে এই সন্মিলনৰ আয়োজন কৰা হয়। জিলাভিত্তিক শিক্ষক সন্মিলনখনত ছটা গুৰুত্বপূৰ্ণ বিষয়ক লৈ আলোচনা কৰা হ'ব। সন্মিলনখনত জিলাখনৰ তিনিওটা শিক্ষাখণ্ডত প্ৰাক প্ৰাথমিক পৰ্যায়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰ্যায়লৈকে নিৰ্বাচিত শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে শিক্ষা বিভাগৰ কেইবাগৰাকীও বিষয়ববীয়াই অংশগ্ৰহণ কৰে। এই সন্মিলনত শিক্ষণ সঁজুলি আৰু সামগ্ৰীৰ প্ৰদৰ্শনীৰো ব্যৱস্থা কৰা হৈছে।

০০০০০

ৰাজ্য চৰকাৰে ৰাজ্যজুৰি আৰম্ভ কৰা **শুশ্ৰূষা সেঁতু** শীৰ্ষক বিধানসভা সমষ্টিভিত্তিক স্বাস্থ্য শিবিৰত এই পৰ্যন্ত লক্ষাধিক শিশু আৰু কিশোৰ-কিশোৰীক চিকিৎসা সেৱা প্ৰদান কৰা হৈছে। যোৱা ১০ অক্টোবৰ পৰ্যন্ত ৰাজ্যৰ ৩৯টা সমষ্টিভিত্তিক স্বাস্থ্য মেলাত ১০ হাজাৰৰো অধিক ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীক প্ৰাথমিক পৰ্যায়ৰ চিকিৎসা প্ৰদান কৰা হৈছে। এই স্বাস্থ্য শিবিৰ সমূহত ৫০ টাতকৈ অধিক ৰোগৰ পৰীক্ষা বিনামূলীয়াকৈ কৰা হৈছে। ৰাজ্য চৰকাৰৰ এই স্বাস্থ্য মেলাৰ অংশ হিচাপে বিশ্বনাথ, কাছাৰ, কামৰূপ মহানগৰ, নগাঁও আৰু তিনিচুকীয়াত আজি বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়।

কামৰূপ মহানগৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিত এই শিবিৰ অনুষ্ঠিত হ'ব। শিবিৰসমূহত ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ প্ৰাথমিক পৰ্যায়ত ৰোগ নিৰ্ণয় আৰু বিনামূলীয়া চিকিৎসা তথা পৰামৰ্শ প্ৰদান কৰা হ'ব। ডিমা হাচাও জিলাৰ এন এল দাউলাগুপু ক্ৰীড়া প্ৰকল্পত কাইলৈ এনে ধৰণৰ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ'ব। বিশ্বনাথ জিলাতো সমষ্টি ভিত্তিত আজি মেগা স্বাস্থ্যশিবিৰ অনুষ্ঠিত হয়। বিশ্বনাথ বাণিজ্য মহাবিদ্যালয় প্ৰাংগণত এই মেগা স্বাস্থ্য শিবিৰৰ আৰম্ভণি কৰা হয়।

০০০০০

সমাপ্ত